(৩) গোবিন্দগঞ্জ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, (৪) ব্ৰজেন্দ্ৰ নগর প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, (৫) ফতেপুর প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, (৬) কাকুয়াগ্ৰাম প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহের নিৰ্মাণ কাৰ্য্য শুৰু করার ব্যাপারে বিভাগিয় কৰ্ত্তৃপক্ষ বিলম্ব করার কারণ কি?

(খ) মার্চ ১৯৯৫ ইং ভিতর উপরুক্ত হাস্পাতাল সমূহের নিৰ্মাণ কাৰ্য্য শুৰু করার ব্যাপারে কি কি কাৰ্য্যকরী পদক্ষেপ নেওয়া হয়েছে বিশদ তথ্য আলাদা আলাদা ভাবে সদনের মেঝে দাখিল করিবেন?

শ্ৰী চিলভিউছ কন্দপান (গড়কাপ্তানী (ভৈয়াম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (১) কিছুমান কাৰিকৰি সমস্যাৰ বাবে নিলাম বজাৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ কাম আৰম্ভ কৰাত পলম হৈছে।

(২) ঠিকাদাৰৰ অসমৰ্থতাৰ বাবে নগেন্দ্ৰ নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰাত পলম হৈছে।

(৩) গোবিন্দগঞ্জ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ কোনো প্ৰস্তাৱ এই বিভাগত নাই।

(৪) ব্ৰজেন্দ্ৰ নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰশাসনিক অনুমোদন, স্বাস্থ্য ও পৰিয়াল কল্যাণ (ক) বিভাগৰ পৰা পোৱা নাই।

(৫) ফতেপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় মাটি আৱণ্টন হোৱা নাই।

(৬) কাকুয়াগ্ৰাম প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ কোনো প্ৰস্তাৱ এই বিভাগত নাই।

(খ) (১) নিলামবজাৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ কাৰণে ১৯৯৫ চনৰ মাৰ্চ মাহৰ ভিতৰত কামৰ আৱন্টন দিয়া হৈছিল। এই কামৰ বাবে পুনৰ ১৬-২-৯৬ তাৰিখে নিবিদা বিচৰা হৈছে।

বাকী চাৰিখন চিকিৎসালয়ৰ বাবে বিভাগীয় অনুমোদন সাপেক্ষে কাৰ্য্য ব্যৱস্থা লোৱা হ'ব।

## Voting on vote on Accounts for 1996-97

Mr. Speaker : Question hour is over. Now Voting on Vote on

Accounts for 1996-97. Shri Jiba Kanta Gogoi Minister, Finance will move.

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, I beg to move on the recommendation of the Governor of Assam that an amount not exceeding Rs. 1477,85, 18,000 be granted on the Governor of Assam in advance to defray charges in respect of different Depart ments during the first four months of the financial year ending 31st March, 1997, under Grants shown in the schedule.

* শ্ৰী প্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভোট অন একাউণ্টৰ ওপৰত আলোচনা কৰিব বিচৰা নাই। কিন্তু কেইটামান কথা বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো প্ৰথমতে হৈছে আমাৰ যিবিলাক বিভাগত বাজেটত ধন আছে সেইবিলাক সোনকালে মোকলাই দিব লাগে। সেই টকাখিনি বিলম্ব নকৰাকৈ মোকলাই দিব লাগে। বিশেষকৈ গড়কাপ্তানী আৰু বাননিয়ন্ত্ৰন বিভাগত বহু কাম টকাৰ অভাৱত সম্ভৱ হলেও কৰিবলৈ আগবাঢ়িব পৰা নাই। সেই কাৰণে মই মন্ত্ৰী ডাঙৰিয়াক অনুৰোধ কৰিছো এই বাজেটত যি ধন দিয়া হৈছে বিশেষকৈ কনষ্ট্ৰাকচন বিভাগত সেইখিনি মোকলাই দিব লাগে। দ্বিতীয়তে যিবিলাক আঁচনি এতিয়াও চলি আছে সেই আঁচনি বিলাক সম্পূৰ্ণ কৰাৰ কাৰণে যিখিনি ধনৰ প্ৰয়োজন সেইধন-খিনি যাতে মোকলাই দিয়া হয়। আৰু অহা বছৰ যি বাজেট দিছে বিত্ত-মন্ত্ৰীয়ে তেখেতৰ বক্তৃতাত কৈছে অসমৰ ৰাজহৰ ব্যৱস্থা উন্নতি হলে সেইখিনি ক্ষেত্ৰত চৰকাৰে কেইটামান ব্যৱস্থা লব লাগে। আমাৰ ৰাজহৰ এটা ডাঙৰ অংশ আহিব পাৰে বিক্ৰি কৰৰ সংগ্ৰহৰ মাজেদি। এতিয়ালৈকে বিক্ৰি কৰত ৫০/৬০ কোটি টকা পাইছো। চৰকাৰী সমীক্ষাৰ মতে অসমত যিবিলাক ব্যৱসায় প্ৰতিষ্ঠান আছে এই বিলাকৰ পৰা উপযুক্তভাৱে বিক্ৰিকৰ সংগ্ৰহ কৰিলে মাহতে কমেও এশ কোটি টকা সংগ্ৰহ কৰিব পৰা হয়। বিক্ৰি কৰ সংগ্ৰহৰ ক্ষেত্ৰত যদি বিশেষ ব্যৱস্থা লোৱা হয় যাতে কৰ

*Speech not corrected.

ফাকি দিব নোৱাৰে তাৰ কাৰণে জিলা প্ৰশাসনৰ সহায় লোৱা একান্ত প্ৰয়োজন। কিছু দিনৰ আগতে মই এটা পৰামৰ্শ দিছিলো দি, চি বিলাকে যাতে সহযোগ কৰে। ৰাজ্যপাল মহোদয়ে আৰু কৈছিল যে অসমত বিত্তীয় ব্যৱস্থা উন্নত কৰাৰ কাৰণে চাহ কোম্পানী বিলাকৰ কাৰ্য্যালয় স্থানান্তৰ কৰা প্ৰয়োজন। চাহ কোম্পানীৰ অফিচ কলিকতাত থকাৰ ফলত গোটেই আয়কৰ কলিকতাত জমা দিয়ে। আয় কৰৰ যি অংশ সেইটো অসমে নেপায়। ইয়াৰ আয় কৰৰ পৰা লাভবান হৈছে পশ্চিমবংগ চৰকাৰ। সেইকাৰণে অসমৰ যিবিলাক চাহ বাগানৰ কোম্পানীয়ে অসমত কাম কৰে যিবিলাক চাহ শিল্প আছে সেই কোম্পানী বিলাকৰ মুখ্য কাৰ্য্যালয় কলিকতাৰ অসমত অনাৰ কাৰণে অসম চৰকাৰে দাবী কৰিব লাগে ইয়াৰোপৰি অন্যান্য যিবিলাক কাৰ্য্যালয় আছে সেই বিলাকো হস্তান্তৰ কৰিবলৈ দাবী কৰিব লাগে। চাহ কোম্পানী বিলাকে যদি আপত্তি কৰে তেতিয়াহলে সেই আপত্তিৰ কোনো যুক্তি নাই। কাৰণ আগতে এবাৰ আলোচনাৰ সময়ত কৈছিল অসমত তেওঁলোকৰ যিখিনি সা- সুবিধা থাকিব লাগিছিল সেইখিনি নাই সেই কথাষাৰ সম্পূৰ্ণ অসত্য এ,অ,চি'ৰ মুখ্য কাৰ্য্যালয় ডিগবৈত অইলৰ দুলীয়াজানত অ,এন, জি চিৰ হেডকোৱাটাৰ নাজিৰাত আছে কিন্তু ইমান ৰাজহুৱা খণ্ড উদ্যোগ বিলাকৰ হেড অফিচ থকা স্বতেও চাহ কোম্পানীৰ হেড কোৱাটাৰ কিয় স্থানান্তৰ কৰিব নোৱাৰে। কিছুমান স্বাৰ্থ জৰিত লোকৰ বাবে কলিকতাৰ পৰা যাতে এই চাহ কোম্পানী বিলাক স্থানান্তৰ নহয় তাৰ কাৰণে চেষ্টা চলাই আছে। ইয়াৰ ফলত বঞ্চিত হৈছে অসম অধিক পৰিমানে। নিয়োগৰ ক্ষেত্ৰত মই হিচাপ দিব নোৱাৰো। আৰ্থিক দিশত যদি হিচাপ কৰা যায় তেতিয়াহলে একমাহত কমেও ২৫/২৬ হেজাৰ কোটি মান টকা হেৰুৱাব লগীয়া হৈছে। সেই টকাখিনি পশ্চিম বংগ চৰকাৰে পাইছে। এই চাহ কোম্পানী বিলাক হস্তান্তৰ কৰা ক্ষেত্ৰত পশ্চিম বংগ চৰকাৰে আপত্তি কৰিব পাৰে চাহ কোম্পানী বিলাকে আপত্তি কৰিব পাৰে কিন্তু অসমলৈ চাহ কোম্পানীৰ হেড কোৱাটাৰ স্থানান্তৰ কৰাৰ কাৰণে তেওঁলোকৰ কোনো যুক্তি সংগত কথা নাই। গতিকে মই অনুৰোধ কৰিছো অসম চৰকাৰে বিলম্ব নকৰি সোনকালে কলিকতাৰ পৰা অসমলৈ স্থানান্তৰ কৰে।

*Speech not corrected.

* শ্ৰী মিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্য দীঘলীয়া নহয়, চমু কৰিম। এফ,ডি, আৰৰ যিবিলাক স্কীম আছিল তাৰ বাবে ডিষ্টিকলৈ কিছুমান টকা পঠিওৱা হৈছিল কাম মেৰামতি কৰাৰ কাৰণে সেইবিলাক আজিলৈকে আৰম্ভ হোৱা নাই। আন-টাইড ফাণ্ডৰ টকা ৰিলিজ নাই। সেইখিনি টকা ৩১ মাৰ্চৰ আগতে ৰিলিজ কৰাৰ ব্যৱস্থা কৰিব লাগে। এগ্ৰিকালচাৰ ইৰিগ্ৰেচন, পি, এ, চি বিভাগত আজিলৈকে কোনো কাম হোৱা নাই। কনটেকটৰ বিলাকে কাম কৰিলেও টকা নেপায়। সেইকাৰণে আজিকালি গড়কাপ্তানী বিভাগে কোনো কামৰ কাৰণে টেনদাৰ কল কৰিলেও তেওঁলোকে চেনদাৰ নিদিয়ে। আৰু এটা কথা হ'ল মাষ্টাৰ ৰোল আৰু কেজুৱেল এমপ্লই যিবিলাক আছে তেওঁলোকেও নিয়মীয়া ভাবে দৰমহা নেপায়। তাৰ ফলস্বৰূপে আজি কিছুদিনৰ আগতে জনস্বাস্থ্য বিভাগৰ কেজুৱেল এমপ্লই সকলে ধৰ্মঘট কৰাৰ ফলত কৰিমগঞ্জ আৰু পাথাৰকান্দিত তিনিদিন খোৱা পানী যোগান বন্ধ হৈ থাকে। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে মাষ্টাৰৰোল আৰু কেজুৱেল এমপ্লই সকলে যাতে নিয়মীয়াভাবে দৰমহা পায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এটা কথা হ'ল এম,এল,এ, এৰিয়া ডেভলপমেণ্ট স্কীম বিলাক প্লেনিং বিভাগে এলোট কৰি দিয়াৰ পিচত জিলাত চেক কিছু কৰা হৈছে যদিও ফাইনেনচিয়েল বেগু থকা কাৰণে ট্ৰেজাৰিয়ে টকাবোৰ ৰিলিজ কৰা নাই। গতিকে এম,এল,এ এৰিয়া ডেভলপমেণ্ট স্কীমৰ ক্ষেত্ৰত এই বেগুটো প্ৰযোজ্য হ'ব নেলাগে। এই কাম বিলাক আমি কৰিব নোৱাৰাৰ কাৰণে আমি ৰাইজৰ বিশ্বাস হেৰুৱাব লগীয়া হৈছে। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

(Mr. Speaker vacated the Chair and Mr. Dy. Speaker occupied it)

* শ্ৰী হলিৰাম টেৰাং ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ ভোট অন একাউণ্ট সম্পৰ্কত কোনো ধৰণৰ বিতৰ্ক নকৰো, এইখন আমি পাছ কৰি দিম। কিন্তু ভোট অন একাউণ্টত এটা কনষ্টিটিউচনেল মেটাৰ ইনভলভ্ হোৱাৰ কাৰণে বিষয়টো মুখ্য মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব খুজিছো। দুদিনমান আগতে অন্যান্য মাননীয় সদস্য কেইজনমানেও এই বিষয়টো ব্যক্ত কৰিছিল আৰু সেই সম্পৰ্কত মুখ্য মন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্টীকৰণ দিছিল। মই এই কথটো কব

---

*Speech not corrected.

খুজিছো যে অটনমাচ কাউন্সিলৰ বাজেট পৃথককৈ বনোৱা হয় আৰু তাৰ কাৰণে এই বাজেট খন ৰাজ্য চৰকাৰে প্ৰিপিয়াৰ কৰি অটনমাচ কাউন্সিললৈ পঠাই দিয়ে আৰু কাউন্সিলত এই বাজেট আলোচনা বিলোচনা কৰি কিবা সাল সলনি কৰিব লগা হলে সেইটোত পৰামৰ্শ দি চৰকাৰলৈ পঠাই দিয়ে আৰু সেইমতে চৰকাৰে বাজেটত সুমুৱাই বিধানসভাত পাছ্ কৰিব লাগে। কিন্তু যোৱা বছৰ এক এপ্ৰিল তাৰিখে অসম চৰকাৰৰ লগত অটনমাচ কাউন্সিলৰ যি খন মেমৰেণ্ডামত চহী কৰা হৈছিল তাত এটা কথা কোৱা হৈছিল .........

"The State Government will, before the beginning of the financial year, give and indication to the Councils of the overall financial allocations for them. The Councils will, thereafter, prepare and pass their own budget and forward it to the State Government for being included in the overall State budget. Ordinarily, no change will be made in the budget asproposed by the Councils. However, if for any reasons it becomes necessary to do so, the Councils would be consulted and would be explained the reasons for change"

ইয়াত এইটোকে কোৱা হৈছে যদিও ৰাজ্য চৰকাৰে বাজেটখন তৈয়াৰ কৰিব তথাপিও সেইখন অটনমাচ কাউন্সিলে আলোচনা বিলোচনা কৰিহে তাক ফাইনেল চেপ দিব । ইয়াত কিবা সাল সলনি কৰিব লগা থাকিলে কাউন্সিলৰ লগত আলোচনা কৰিহে সেইটো কৰিব লাগিব। এইটো ৰ ওপৰত ভিত্তি কৰিয়েই যোৱা ১৯ অক্টোবৰ তাৰিখে অসম চৰকাৰে এখন মেমৰেণ্ডাম ইচু কৰিছে। তাত কেইটামান কথা এনে ধৰণে কোৱা আছে .........

"In respect of the entrusted subjects/departments, the Executive Committee of the Council shall prepare the budget estimates (a) under the Non Plan as per the norms and limits, fixed by the Finance Department

of the State Government, there being no cut by the Finance Department in the Non-Plan salary and other obligatory committed expenditure, if the same are within the norms and limits fixed by the Finance Department of the State Government. (b) under the State Plan including Special Central Assistance. অৰ্থাৎ মেমোৰাণ্ডাম অব আণ্ডাৰষ্টেণ্ডিংত যিটো কথা আছে সেইটো ইয়াত দোহাৰিছে। আৰু এটা বিশেষ প্ৰয়োজনীয় বিষয় হ'ল

As per guidelines of the Govt. of India and the norms, fixed by the Finance Department of the State Government. The Council shall pass the budget of the entrusted subjects/departments and send the same to the Finance Department of the State Government for inclusion in the District Budget of Karbi Anglong District and the Sixth Schedule Areas Budget of the State Government for placing the same in the Assam Legislative Assembly for Passing. Ordinarily, no change would be made in the budget estimate, as proposed by the Council. However, budget estimate, as proposed by the Council. However, for any reason, if it becomes necessary to do so, the Council shall be consulted and reasons explained for such change."

এই ক্ষেত্ৰত পাৰ্ব্বত্য অঞ্চল উন্নয়ন বিভাগৰ সচিবে যোৱা ১৯অক্টোবৰ তাৰিখে এখন মেমৰেণ্ডামত চহী কৰিছে। কিন্তু আজি প্ৰায় ৫ মাহ সময় উকলি গ'ল। এই খন সম্পৰ্কত সময়মতে ব্যৱস্থা লোৱা হৈছিল নে নাই? মই জনাত কাৰ্বি আংলং অটনমাৰ্চ কাউন্সিলে এখন বাজেট তৈয়াৰ কৰি অসম চৰকাৰলৈ পঠিয়াইছিল। কিন্তু অসম চৰকাৰে সেইখন গ্ৰহন কৰিব পাৰি নে নোৱাৰি সেই বিষয়ে কোনো কথা নকলে। তাৰ পিচত হঠাৎ

যোৱা ১২ মাৰ্চত অটনমাচ কাউন্সিললৈ এখন চিঠি গৈছে আৰু তাত কোৱা হৈছে যে আপোনালোকে এই বাজেটখন পুনৰ আলোচনা কৰি প্ৰয়োজনীয় সাল সলনিখিনি কৰি আমালৈ পঠাব লাগে। এই বিষয়ত চেয়াৰমেনে অসম চৰকাৰৰ পৰা এটা ক্লাৰিফিকেচন বিচাৰিছে। কিন্তু মই জনাত আজিৰ তাৰিখলৈকে এই ক্লাৰিফিকেচনৰ উত্তৰ অসম চৰকাৰৰ পৰা পোৱা হোৱা নাই। এতিয়ালৈ কথা হ'ল ইয়াত দুটা কথা আছে। এটা হ'ল ..............

"There shall not be any 'common outlay' in respect of Karbi Anglong District. The existing schemes under 'common outlay' shall be transferred to the Council as per their geographical locations. The Administrative Departments shall issue necessary notifications to this effect."

......... Can the budget of the Karbi Anglong be passed by this House when it has not been placed in the Council?

.........................। এই সদনত বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট উৎথাপন কৰিছে সেই বাজেটখনৰ কাৰ্বি আংলং সম্পৰ্কীয় বাজেট খন অটনমাচ কাউন্সিলত প্লেচ কৰা হোৱা নাই। সেই বাজেটখন কাৰ্বি আংলং জিলাই গ্ৰহন কৰা নাই। আন এটা কথা হ'ল হিল প্লেনৰ কিছু টকা জেনেৰেল এৰিয়া প্লেনলৈ ডাইভাৰ্ট কৰা হৈছে। এইটো বিত্তমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় জানে। অলপতে এই শিতানৰ ৩ কোটি টকা জেনেৰেল এৰিয়া প্লেনলৈ ডাইভাৰ্ট কৰিছে বুলি জানিব পাৰিছো। এইটো সচাঁহয় নে নহয়? যদি সচাঁ হয় তেনেহলে এই টকাটো অতি সোনকালে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিব নে নকৰে? এইখিনি কৈয়েই মোৰ বক্তব্য সামৰণি মাৰিলো।

* Shri Parameswar Brahma : Mr. Deputy Speaker, Sir, I would like to confine myself within a few points. Now, our Finance Minister has asked for Vote on Accounts for

---

*Speech not corrected.

the year 1996-97. In this connection, I would like to draw the attention of the House that we have as many as 4 District Councils such as Bodoland Autonomous District Council, the Rabha Hasang Council, the Missing Councils and Lalung (Tiwa) Autonomous District Councils. These are in the major tribal inhabited areas and this arrangement had to be made to have their development as much as possible. Sir, I do not know whether our Hon'ble Finance Minister is aware of all these things. There is a Hill Areas Development Fund for the development of Hill areas but for Bodoland Autonomous Council, the Lalung Autonomous Councils etc. there is no such arrangement of fund for the development of these areas and a separate allocation of fund is very much essential. It appears that there is no separate allocation of fund or arrangement made specially for the development of these Bodoland Autonomous Council and Lalung Autonomous Council etc.

Sir, my concern is that Govt. actually do not have a clear and positive approach towards the development of tribal people. Basically, there is the problem of their development and arrangement will have to be made by the Govt. for the same. But why our Hon'ble Finance Minister does not feel a separate allocation of fund for these District Councils to undertake development activities in those areas and I think, it is not the intention of the Govt. to development these areas and the upliftment of the tribal people, Sir, there is a Directorate of WPT

& BC for the welfare of Plains Tribes and Backward Classes and we have seen many anomalies in the allocation of fund of the WPT & BC Dept. In this connection, I would like to draw the attention of this August House that this fund is a politically motivated fund just to deprieve the poor tribal people which is in no way either good or desirable for the tribal people. We have had a discussion in this regard with the Hon'ble Prime Minister earlier that there should be separate allocation of fund for BAC area not depending on the Finance Secretary, Finance Commissioner and Finance Dept.'s mercy to undertaken developmental schemes for the welfare of the tribal people. I would request the Hon'ble Finance. Minister to look into the matter for creation of a separate provision of fund for BAC etc. immediately. Sir, I would like to switch over another point. Our Hon'ble Finance Minister has proposed for a certain allocation of fund as much as Rs. 6,30,9000/- from the North Eastern Council Scheme for the development of the tribal people.I do not know whether any allocation under this Head of fund/has been made for the BAC area or the areas living by tribals. Sir, till to day. I do not know, whether Finance Minister has given any clarification as to why no allocation of fund has been made particularly for Kokrajhar, Darrang and other district mainly inhabited by tribal people under this Head. I would request the Hon'ble Finance Minister that important developmental schemes should be undertaken

underthe Head of this North Eastern Council Scheme for the upliftment of the poor tribal people.

Sir, I have come across about the problems of Pharmacists in this State. Here, fund has been demanded for their higher scale as their present basic scale is only 1100/- which is a little lesser than the scale of an L.P. Teacher. I would like to request the Hon'ble Finance Minister to look into this aspect and enhance the basic pay of the Pharmacists whose services very much essential in our States particularly in rural and Hill Areas where Doctors are in most of the cases, very much reluctant to go and these Pharmacists are rendering services and to speak the truth, a pharmacist is but a Moses to the tribal people. With these few words, Sir, again I would like to stress that it is the political right of the Bodo people that they should not have to depend on the Finance Dept's mercy while going to under take development schemes for the greater and overall upliftment of poor tribal people. Sir, a district allocation of a fund for BAC has to be made without the intervention of the Finance Minister, Finance Secretary or at the mercy of Finance Commissioner with a view to quickening the process of development in BAC and thus make the creation of BAC meaningful. With these few words, I conclude. Thank you.

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া এটা ডাঙৰ কথা হৈছে সেইটো হৈছে যি খিনি পৰিকল্পনাৰ ধন সেই পৰিকল্পনাৰ ধন খিনি বিভিন্ন বিভাগৰ উন্নয়নমূলক কামত খৰচ কৰিবলৈ নিদি সেই পৰিকল্পনাৰ

*Speech not corrected.

ধন খিনি কেৱল ৰাজহুৱা শিতানত ৰখাৰ কাৰণে আমাৰ ৰাজ্যখনৰ যথেষ্ট সংখ্যক উন্নয়ন মূলক কামবিলাক স্থগিত হৈ আছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে বাননিয়ন্ত্ৰন বিভাগ আৰু যি কেইটা বিভাগ যেনে জনস্বাস্থ্য কাৰিকৰি বিভাগ আৰু গড়কাপ্তানী বিভাগ আৰু হস্ততাত শিল্প বিভাগ এই বিভাগ বিলাকত পৰিকল্পনাৰ আঁচনিৰ কিছুমান টকা দিছিল আৰু যথেষ্ট সংখ্যক আঁচনি দিছিল কিন্তু সেই বিলাক এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই। ইয়াৰ ঘাই কাৰণ হ'ল এই বিভাগ বিলাকত পৰিকল্পনাত আবণ্টন কৰা ধন বিলাক ৰাজহুৱা শিতানত জমা দি থোৱা আছে। আন নালাগে মোৰ সমষ্টিতে সদিলাপুৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে, অতি সোনকালে যদি এই গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে ব্যৱস্থা কৰা নাযায় তেতিয়াহলে তাৰ কাষত থকা গড়কাপ্তানী ৰাস্তাটোৰ নষ্ট হৈ যাব আৰু এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰিছো আৰু মন্ত্ৰী মহোদয়েও চিফ ইঞ্জিনিয়াৰক এই সম্পৰ্কত পৰামৰ্শ দিছে কিন্তু আচল কথা জানিব পাৰিলো যে এই কাম বিলাকত আগবাঢ়িব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল বাননিয়ন্ত্ৰন ইত্যাদি বিভাগৰ টকা পইচা বিলাক ৰেভিনিউ ডিপোজিতত ৰখাৰ কাৰণে উন্নয়নমূলক আৰু ৰিপেয়াৰিং ইত্যাদিৰ কাম কৰিব পৰা হোৱা নাই। যদি অনতিপলমে এই কাম বিলাক সম্পূৰ্ণ কৰি নোতোলে তেতিয়াহলে ব্ৰহ্মপুত্ৰ নদীৰ বুকুত গড়কাপ্তানী ৰাস্তা জাহ যাব আৰু প্ৰায় ২০০ টা পৰিয়াল নিশেষ হৈ যাব। এই ধৰণৰ ব্যৱস্থা চলি থাকিলে কেনেকৈ হ'ব। সেয়েহে মই অনুৰোধ কৰিছো বিভিন্ন বিভাগৰ শিতানৰ যিটো টকা এই পৰ্য্যন্ত ৰাজহুৱা শিতানত ডিপোজিট হৈ আছে সেই খিনি উন্নয়নমূলক কাম বিলাকৰ কাৰণে উলিয়াই দিব লাগে। আজি অলপ দিনৰ আগতে আমাৰ সমষ্টিতে ধুমুহা বৰষুন হৈ বিস্তৰ ক্ষতি সাধন কৰিলে অকল তাত সৰু সৰু লৰা- ছোৱালীৰ জখমেই হোৱা নাই তাত মহিলাৰ মৃত্যু হৈছে মই মাননীয় পুনৰসংস্থাপন মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছিলো তেখেতে সংস্থাপন আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিছিল কিন্তু এতিয়াও আগনবঢ়োৱাৰ কাৰণ বুজিব পাৰিলো এই বিভাগৰো টকা- পইচা বিলাক

ৰাজহুৱা শিতানত জমা থোৱা আছে। গতিকে আমাৰ ৰাজ্যখনৰ উন্নয়নমূলক কাম কাজ বিলাক যাতে স্থাবিৰ নহয় তাৰ কাৰণে বৰ্ত্তমান ৰেভিনিউ ডিপোজিট কৰি থোৱা টকা- পইচা বিলাক যাতে উন্নয়নৰ কামত লগাব পাৰি সেই বিষয়ে বিবেচনা কৰিবৰ কাৰণে মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে আমাৰ যিটো ৰেভিনিউ কালেকচন সেইটো মিচইউজ কৰা হৈছে আৰু ইয়াৰ মূল কাৰণ হল অসম মেঘালয়ৰ সীমান্ত। মোৰ সমষ্টিত বহুতো বনজ সম্পদ আছে। চোৰাংভাবে গছ কটা হৈছে আৰু চৰকাৰ নিৰ্ব্বিকাৰ হৈ বহি আছে। অসম মেঘালয় সীমান্তত অসমৰ গছ কাটি মেঘালয়লৈ লৈ গৈছে আৰু তাত হামাৰ মাৰি অসমলৈ পঠাই দিছে। চৰকাৰে এইবিলাকৰ প্ৰতি দৃষ্টি নিদিয়াৰ বাবে বনজ সম্পদৰ পৰা যিখিনি ৰাজহ আমি পাবলাগে তাৰ পৰা বঞ্চিত হবলগা হৈছে। আজি ৰেঞ্জ অফিচ বিলাকত বহুতো গছ পৰি আছে সেইবিলাক অকচন নিদিয়াৰ বাবে কোপ বিলাক নষ্ট হৈ গৈছে। অন্ততঃ ৰেভিনিউৰ বাবে হলেও গছ বিলাক এতিয়া দিব লাগে। সেইবিলাক ৰেঞ্জ অফিচত পৰি থকা বাবে নষ্ট হৈ গৈছে চেগুনকে আদি কৰি বহুতো মূল্যবান কাঠ পৰি আছে। এইবিলাক অতি সোনকালে আপোনালোকে মুকলি কৰি দিব লাগে। তাৰোপৰি ৰাজহৰ শিতানত উন্নয়নৰ ক্ষেত্ৰত যি টকা দিয়া হৈছে সেই টকা অচিৰে মুকলি কৰি দিলে উন্নয়ন হব। গতিকে এই বিষয়টোলৈ দৃষ্টি দিয়াৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

* শ্ৰী আলাউদ্দিন সৰকাৰ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই সীমান্তবৰ্তী অঞ্চলৰ পৰা আহিছো গতিকে এই সম্পৰ্কত দুটামান কথা কব বিচাৰিছো। সীমান্ত উন্নয়নৰ বাবে আমাৰ এটা দপ্তৰ আছে সেই সম্পৰ্কে মই কব বিচাৰিছো। সেই পৰিপ্ৰেক্ষিতত যি ২ কোটি টকা আমাক দিয়া হল সেইটো আমি ভাগ কৰি লৈ আৰ্ন্তজাতিক ব'ৰ্ডাৰ এৰিয়াৰ কাৰণে ১ কোটি টকা লৈ সেই সংক্ৰান্তত যিবিলাক আঁচনি কৰা হৈছিল সেইবিলাকো অনুমোদন কৰা হৈছে। ঠিকাদাৰ সকলক হাতে পাতে ধৰি কাম কৰোৱা হৈছিল কিন্তু

*Speech not corrected.

তেওঁলোকক টকা দিয়াৰ ক্ষেত্ৰত কিছু বেমেজালী কৰা হৈছে গতিকে মই বিশেষভাৱে অনুৰোধ কৰো যে, এই আৰ্ন্তজাতিক সীমান্তৰ বাবে দিয়া টকা সোনকালে মোকলাই দিবলাগে আৰু ৰেভিনিউ দিপজিটত ৰাখিব নালাগে। আৰু কামবিলাক সোনকালে কৰিব লাগে। তাৰোপৰি আমাৰ এটা ৰোচ আৰু ব্ৰিজৰ শিতানো আছে। অলপ আগতে পি, ডব্লিও দিৰ ৯০ শতাংশ কাম হৈছে বুলি কোৱা হৈছে আৰু ১০ শতাংশ কাম বাকী আছে বুলি কোৱা হৈছে। মোৰ সমষ্টিত কেইবাখনো দলং ভাঙি গৈছে। মই ডি, চি আৰু কাৰ্য্যবাহী অভিযন্তা আৰু এচ, দি অ'ক লৈ সেই অঞ্চলবিলাক দেখুৱাইছো। ৰাইজে কৈছে আগন্তুক নিৰ্ব্বাচনৰ সময়ত এই অঞ্চল বিলাকত সোমাবলৈ নিদিয়ে। চৰকাৰৰ গাড়ী সোমাবলৈ নিদিয়ে। বক্সিৰ হাটৰ পৰা আন্তজাৰ্তিক সীমান্তৰ মাজত ৮ খন দলং মেৰামতি কৰিব পৰা নাই। তাৰ বাবে ৰাস্তাঘাট বন্ধ হৈ গৈছে। এই দলং বিলাক অনতিপলমে মেৰামতি কৰাৰ বাবে মই বিশেষভাবে অনুৰোধ জনালো। আগতে আমাৰ বিধায়কে কিবা কাগজ পত্ৰ দিলে বিভাগে একনলেজ কৰে আগতে সেই পৰম্পৰা চলি আহিছিল। কিন্তু এতিয়া বাৰে বাৰে লিখা স্বত্বেও কোনো বৰ্ত্তা নাই। এই পৰম্পৰা ৰক্ষা কৰাৰ বাবে ব্যৱস্থা লব লাগে। সীমিত কৰি হলেও এই কাম বিলাক কৰিব লাগে।এতিয়া আমাৰ দুটা দপ্তৰত পি, ডব্লিও, দি আৰু ল এণ্ড অৰ্দাৰত জোৰ দিয়া হৈছে। পি, ডব্লিও, দিৰ টকা মুকলি কৰি দি যাতায়তৰ সুবিধা কৰিব লাগে। ৰুৰেল দেভলপমেণ্টে গ্ৰামাঞ্চলৰ কিছু ক াম কৰিব পাৰে তাৰ বাবে চাবলাগে। ই,এ,এচ ব্লকত আৰু নন ই, এ, এচ ব্লকত যিবিলাক কাম আৰম্ভ কৰা হৈছে তাতো অসামঞ্জস্য দেখা গৈছে। তাৰোপৰি আনটাইদফান্দৰ টকা সোনকালে মুকলি কৰি গ্ৰাম উন্নয়নৰ ক্ষেত্ৰত বিশেষ যত্ন লব লাগে। উপাধ্যক্ষ মহোদয়, আচৰিত কথা যে, এই বিধান সভাত এইবাৰ কৃষি মন্ত্ৰীক নেদেখিলো। খেতিবাতি আমি জীয়াই থকাৰ একমাত্ৰ পথ। এই সম্পৰ্কত বহুতো গীত গোৱা হল। পাৱাৰ পাম্প, বীজ, সাৰ ইত্যাদিও দিয়া হল কিন্তু উন্নয়নৰ ক্ষেত্ৰত ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে। আমাৰ উৎপাদন বহুত বেচি হয় কিন্তু ফচল ৰখাৰ বাবে কোনো ব্যৱস্থা নাই। ক'ল্ড ষ্টৰেজ এটাৰ কথা কৈছো কিন্তু এতিয়ালৈকে

হোৱা নাই। ইৰিগেচনৰ ক্ষেত্ৰতো একে অৱস্থা। গতিকে বিভাগ বিলাকৰ মাজত সমন্বয় থাকিব লাগে আজি কৃষক সকলৰ চাহিদা পূৰণ হোৱা নাই। আজি কুৰিদফীয়া আঁচনিৰ কথা কৈছে অন্যান্য আঁচনিৰ কথাও কৈছে কিন্তু এই আঁচনিয়ে কৃষকক চুই যাব পৰা নাই. গতিকে টকা মোকলাই দি কৃষকৰ সমস্যা সমাধান কৰাৰ বাবে দৃষ্টি দিবলৈ অনুৰোধ জনালো। উপাধ্যক্ষ মহোদয়, আমাৰ যিটো চচিয়েল ওৱেলফেয়াৰ বিভাগ আছে তাতো বহুত প্ৰগ্ৰেম কৰা হৈছে। সমগ্ৰ অসমতে চচিয়েল ওৱেলফেয়াৰৰ চেণ্টাৰ কৰাৰ বাবে টকা মুকলি কৰি দিবলৈ অনুৰোধ জনালো। তাৰ পিচত বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত দেখা যায় যে, ১৯৯৩ চনত গোলকগঞ্জত কি অৱস্থা হৈছিল মোৰ এতিয়াও মনত পৰে। উত্তৰ বঙ্গৰ পৰা পানী আহি গোটেই অঞ্চলটো প্লাবিত কৰি তুলিছিল ৰাইজক ৰক্ষা কৰাৰ বাবে বান নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ বাবে অতি সোনকালে টকা মোকলাই দিব লাগে। বহুতো ঠাইত খহনীয়া সৃষ্টি হৈছে আৰু ঘৰ, গছ গছনি আদি উটুৱাই লৈ গৈছে। এই সমস্যা সমাধানৰ বাবে মাত্ৰ ৩০ লাখ টকাৰহে দৰকাৰ। আমাৰ আগমনি অঞ্চলৰ মাটি অতি সৰুৱা সেই মাটি ৰক্ষা কৰা অতি দৰকাৰ। দি,আৰ,দি,এ আৰু দি,চিক লৈ সেই অঞ্চল বিলাক দেখুৱাইছো। যদিহে সেই অঞ্চলত বান্ধবিলাক দিয়া হয় তেনেহলে সেই অঞ্চলটো ৰক্ষা পৰিব। মাত্ৰ ৩০ লাখ টকা হলেই কামটো শেষ হৈ যাব। এই সামান্য টকা বৰাৰ্দ্ধ কৰিবৰ কাৰণে অনুৰোধ জনাইছো আৰু বিত্ত মন্ত্ৰীয়ে যাতে টকা খিনি দিয়ে তাৰ বাবে অনুবোধ জনাই মোৰ বক্তব্য সামৰিছো।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটত যিহেতু আলোচনা কৰিব নোৱাৰিলো ভোট অন একাউন্টৰ ওপৰত দুই এটা কথা কবলৈ বিচাৰিছো। বিভাগ হিচাবে প্ৰতিটো বিভাগত দুই এটা কথা বাখি : শিক্ষা বিভাগত তিনিশ সাতসত্তৰ কোটি তিৰাশী লাখ চৈধ্য হাজাৰ টকা বিচাৰিছে। আচলতে শিক্ষা সম্পৰ্কত বহু কথা কবলগীয়া আছিল কিন্তু কব বিচাৰিছো যে এই টকা খিনি দিবলগীয়া হৈছে যাতে দৰমহা পাতি ঠিকমতে দি থাকে তাৰ কাৰণে অনুৰোধ জনাইছো। বিত্ত মন্ত্ৰী ডাঙৰীয়াই

*Speech not corrected.

শিক্ষক সকলক দৰমহা দি থকা বুলি কৈছে কিন্তু আজি বহু শিক্ষকে কেইবামাহো ধৰি দৰমহা পোৱা নাই। মই অনুৰোধ ৰাখিছো যেন অবিলম্বে দৰমহা নোপোৱা সকলোশিক্ষকে দৰমহা অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰে। আমাৰ ধুবুৰী জিলাৰ এম-ই হাইস্কুলৰ বহুত শিক্ষকে দৰমহা পোৱা নাই । উদাহৰণ স্বৰূপে পাইন শালমাৰা জনতা হাইস্কুলৰ শিক্ষকসকলে আজি ২২ মাহ ধৰি দৰমহা পোৱা নাই। ইয়াৰ লগত আৰু এটা কথা কব বিচাৰিছো। চৰকাৰৰ ফালৰ পৰা নতুন নিয়োগ নীতি ঘোষণা কৰিলে কিন্তু ইতিমধ্যে যি নিয়ম নীতি চলি আছিল সেই মতে থকা এক্ট খন নিপিক কৰিলে এই নতুন নিয়ম মতে মেনেজিং কমিটি বা শিক্ষানুষ্ঠানৰ তেনে পৰিচালনা সমিতিয়ে কোনো নিয়োগ কৰিব নোৱাৰিব। আমি ভাবিছিলো আজি অন্তিম দিন হলেও বিল খন আনিব। কিন্তু বিল যেতিয়া আজি পৰ্য্যন্ত নাহিল মহকুমা বা ৰেজিওনেল এডভাইচৰি কমিটি যি বিলাক আছে তেওঁ বিলাকে কোনো নিযুক্তি দিব নোৱাৰিব। গতিকে নতুন নিয়োগ নীতি প্ৰচলন কৰাৰ লগতে বিলখন নহলে অসুবিধা হব। যি হওক ইয়াৰ পিচত পানীযোগান বিভাগৰ সম্পৰ্কত কেইটামান মন্তব্য ৰাখিব বিচাৰিছো। গৌৰীপুৰ, গোৱালপাৰা, ডিব্ৰুগড় আদিত পানীযোগানৰ আঁচনি লৈছে কিন্তু কথা হ'ল আমাৰ গোৱালপাৰাত যিখন আঁচনি লৈছে সেই খন যোৱা সপ্তাহত মুকলি কৰিছে। সেইটো ভাল কথা হৈছে। কিন্তু কথা হ'ল ৰাস্তাৰ দাঁতিত কোনো টেপ দিয়া নাই। তাৰ উপৰিও পানী যোগানৰ কাৰণে মিটাৰ ৰাখিছে আৰু সেই মতে টেক্স লব। স্বাধীনতাৰ পঞ্চাশ বছৰৰ পিচত চৰকাৰে ৰাইজক খোৱাপানীও যদি বিনামূল্যত দিব নোৱাৰে তেনেহলে কল্যাণকামী ৰাজ্য এখনৰ পৰা আৰু কি আশা কৰিব। দুখীয়া মানুহখিনিক খোৱা পানীৰ কাৰণে টেক্স দিবলৈ বাধ্য কৰোৱাতো চৰকাৰ চলি থকাৰ কথানে। এই বিষয়টো আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, চচিয়েল ওৱেলফেয়াৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰী আলাউদ্দিন সৰকাৰ ডাঙৰীয়াই কৈছে। মই এটা কথা জনাব বিচাৰিছোঁ নতুনকৈ কিছুমান আই-চি-ডি-এচ ব্লক কৰিব বুলি শুনিছো সেই কথা বিলাক আমাকো জানিবলৈ দিছে। কিয়নো কেন্দ্ৰ

খোলাৰ সময়ত আমি বিধায়ক সকলেও আগতীয়াকৈ আলোচনা আদি কৰিব পাৰিম। ৰাইজ কিমান উপকৃত হয়গৈ সেইটো এতিয়াই কব নোৱাৰি তথাপিও আমি চোৱা চিতা কৰিব পাৰিম। ইয়াৰ উপৰিও নতুনকৈ ই-এ-এচ ব্লক কিছুমান আনিব বুলি গম পাইছো। নন্ ই-এ- এচ বা ই-এ- এচ ব্লকৰ অৱস্থাও দুখ লগা হৈছে। টেষ্ট লটাৰি বন্ধ কৰি দিছে অথচ তাৰ কাৰণে ৮৬ লাখ টকা ধৰিছে। এইটো আগৰ লায়েবিলিটিজ হব পাৰে। কিন্তু কথা হ'ল অসম আৰু মেঘালয়ৰ সীমাত থকা আমাৰ এৰিয়াত তীৰ খেল প্ৰচণ্ড গতিত চলি আছে। তাৰ দ্বাৰা বহুত মানুহৰ সৰ্বনাশ হৈছে। এই তীৰ খেল বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। ষ্টেট লটাৰি বন্ধ কৰিবলৈ আমি সদনত দাবী জনাইছিলো কিন্তু তেতিয়া বন্ধ নকৰিলে কিন্তু উগ্ৰপন্থীয়ে যেতিয়া সংশ্লিষ্ট কিছুমানক বন্দুকেৰে গুলিয়াই ধমকি দিলে তেতিয়া চৰকাৰে ষ্টেট লটাৰি বন্ধ কৰিবলৈ বাধ্য হ'ল। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ কি যে প্ৰহসন। আমি সদনত দাবী কৰাৰ পিচত নকৰিলে কিন্তু উগ্ৰপন্থীৰ ভয়ত লটাৰি বন্ধ কৰিবলৈ বাধ্য হ'ল। তাৰ মানে গণতান্ত্ৰিক মতে চলা নাই।

মাননীয় উপাধ্যক্ষ ঃ আপুনি চমু কৰক।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় উপ্যধ্যক্ষ মহোদয় মই এটা কথা কবলৈ বিচাৰিছো আৰু বহুত আছে। নকওঁ আমাৰ চৰকাৰ চাহাবৰ কথা এটা কবলৈ আছে। তেখেতে নিজে কব নোৱাৰিলে। সেই কথাটো হৈছে গড়কাপ্তানী বিভাগৰ। গড়কাপ্তানী বিভাগত বহুটো পদ খালী আছে। চিফ ইঞ্জিনিয়াৰ, এডিচনেল চিফ ইঞ্জিনিয়াৰ, চুপাৰাইনটেণ্ডিং ইঞ্জিনিয়াৰ, কাৰ্য্যবাহী অভিযন্তা মুঠতে ৭৬ টা ভেকেনচি আছে। সেই পদ কেইটা পূৰণ কৰিব লাগে। শেহতীয়াকৈ মই সকিয়নীৰে সৈতে মই কব বিচাৰিছোঁ। এতিয়া ২৭ তাৰিখৰ পৰা নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই টকা চাৰি মাহৰ কাৰণে মোকলাই দিছে। চাৰি মাহৰ পিছত কোন চৰকাৰ আহিব কোনোৱে নাজানে। এটা কথা মই সতৰ্ক কৰি দিছো। তেওঁলোকে যাতে এই পইচা নিৰ্বাচনী আয়োগৰ মোড অৱ কণ্ডাক্টৰ মতে খৰচ কৰে। এই পইচা নিৰ্বাচনী প্ৰচাৰৰ কামত এটা ফুটা কড়িও ব্যয় নকৰে। তেনেকৈ ব্যয় কৰিলে নিৰ্বাচনী আয়োগৰ মোড অৱ

*Speech not corrected.

কণ্ট্ৰাক্ট উলংঘা কৰা হ'ব। এই খিনিকে চৰকাৰক সকিয়াই দিছো। এই নিৰ্বাচনত ব্যয় নকৰি পাকে প্ৰকাৰে সঁচাকৈ যিটো উদ্দেশ্যত এই পইচা দিয়া হৈছে। সেইখিনি প্ৰকৃত উদ্দেশ্যত ব্যয় কৰক তাৰ কাৰণে মই সকিয়াই মই মোৰ ব্যক্তব্য সামৰণি মাৰিছোঁ।

* শ্ৰী নগেন শৰ্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণত ভোট অন একাউণ্টৰ জৰিয়তে বাজেট পাছ কৰিব লগা হৈছে শেষতীয়াভাবে বিত্তমন্ত্ৰীয়ে এইখন এখন কৰ বিহীন ঘাটি বাজেট হিচাপে দেখুৱাইছে। কিন্তু প্ৰশ্ন হৈছে সাধাৰণতে যোৱা পাঁচ বছৰত যদি চোৱা যায় কাম কাজত স্থবিৰতা দেখা দিছে। এই স্থবিৰতা দূৰীকৰণ কৰিবৰ কাৰণে বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে বিভাগীয় মন্ত্ৰী সকলক আমি বহুবাৰ জনাইছিলো কিন্তু স্থবিৰতা চলিয়ে থাকিল। বিশেষকৈ শিক্ষা বিভাগত এইবাৰ ৩ শ ৭৭ কোটি ৮৩ লাখ ১৪ হেজাৰ টকা ধৰিছে। বৃহৎ পৰিমাণৰ ধনৰ কিন্তু এই শিক্ষা বিভাগত এনেয়ে কিছু টকা আছে। ৰেভিনিউ ডিপোজিতত সোমাই আছে। বিশেষকৈ প্ৰাথমিক স্কুলৰ ছাত্ৰ- ছাত্ৰী সকলৰ কাৰণে চক, দাস্তাৰ কিনাৰ কাৰণে ১ কোটি ২৭ লাখ টকা কনটিজেনছিৰ টকা মুকলি কৰি দিয়া নাই। ৰেভিনিউ হেডত সোমাই আছে। ৰাজহ সংগ্ৰহ কৰাৰ যিটো পদ্ধতি সেইটো সঁচাই ঠিক হোৱা নাই। কিন্তু মন্ত্ৰী ডাঙৰীয়া কৰ সংগ্ৰহৰ পদ্ধতি সলনি কৰিছে। কৰ বৃদ্ধি কৰিলেই ৰাজহৰ ধন বৃদ্ধি নহয়। কিছুমান কৰ অত্যাধিক ভাৱে বৃদ্ধি কৰি দিয়া হ'ল। বিশেষকৈ মেঘালয়, অৰুনাচল শতকৰা চাৰি শতাংশ ষ্টক চেঞ্জ কৰি ৰাজহ পাই আছে। কিন্তু এই টেক্স বৃদ্ধি কৰিছে। ৰাজহ বঢ়োৱা নহ'ল। শ্ৰী ৰামপুৰৰ নিচিনা গেট বিলাকৰ যিটো খেলিমেলি ৰাজহ সংগ্ৰহত বাধাৰ সৃষ্টি হৈছে

মাননীয় উপাধ্যক্ষ ঃ আজি লাষ্ট দে। ভোট অন একাউণ্টৰ ওপৰত কওঁক। এইবিলাক আলোচনা নহয়।

* শ্ৰী নগেন শৰ্মা ঃ প্ৰশ্ন হৈছে যিবিলাক টকা এতিয়াও মুকলি কৰি দিয়া নাই জন স্বাস্থ্য কাৰিকৰী বিভাগত ২ কোটি ৫০ লাখ টকা মুকলি কৰি দিলে। ৭ টা ডিভিজনৰ কাৰণে এইটো এটা পক্ষপাতিত্বমুলক হৈছে। কিয়নো শিৱসাগৰ, ধেমাজি, কৰিমগঞ্জ, গুৱাহাটীত কেইটামান ডিভিজনৰ কাৰণে

*Speech not corrected.

এই টকা দিছে। মন্ত্ৰী মহোদয় আৰু বিভাগীয় সচিব মহোদয়কো মই কৈছো।

(Mr. Speaker occupied the Chair)

অধ্যক্ষ মহোদয় ঠিক তেনেকৈ ৰাস্তা আৰু দলংৰ পইচা ধৰা হৈছে। ৰাস্তাৰ অৱস্থা নাই বাইহাটা চাৰিআলিৰ পৰা যাব নোৱাৰি নেচনেল হাইওৱে দি যাব পৰা ব্যৱস্থা নাই। গড়কাপ্তানী এই ক্ষেত্ৰত উজনি অসমত কাম কৰি আছে। উজনি অসমৰ মন্ত্ৰী আছে। পইচা দিছে কাম কৰিছে কিন্তু নামনি অসমৰ মন্ত্ৰী নাই কাম নকৰিব নেকি? ইমান পক্ষপাতিত্ব হৈছে। মই বানপানীৰ কাৰণে কৈছো আমাৰ জিলাখনত বেয়া কৈ ক্ষতিগ্ৰস্ত হৈছে। নলবাৰী জিলাত বাননিয়ন্ত্ৰণৰ ব্যৱস্থা হোৱা নাই। ১০ হেজাৰ খেতিয়কৰ মাটি নষ্ট হৈছে। নৈনে নদীয়ে বেয়াকৈ ক্ষতি কৰিছে। ইয়াত টকা দি সোনকালে ব্যৱস্থা কৰিব লাগে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয় গোটেই অসমতেই ১৭৯ জন মেলেৰিয়াত মৃত্যু হৈছে বুলি কৈছে। কিন্তু ধেমাজী জিলাতে ১০০ জনৰো অধিকৰ মৃত্যু হৈছে কিন্তু এই বাৰিষা অহাৰ লগে লগে স্বাস্থ্য বিভাগৰ যোগেদি ডি,ডি,টি দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ অহা বছৰ মথাউৰি বিলাক বন্ধাৰ কাৰণে ৰেভিনিউ দিপোজিটৰ যিটো টকা আছে সেইটো মুকলি কৰি দিব লাগে। সেয়ে মই আশা ৰাখিছোঁ। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলে দৰ্মহা পোৱা নাই। ল'ৰা— ছোৱালীৰ পৰীক্ষা আহিছে। কেৰাচিন তেল কিনিব লগা হৈছে। ৮ মাহ দৰ্মহা পোৱা নাই। দৰ্মহা বিলাক মুকলি কৰি দিব লাগে। অধ্যক্ষ মহোদয় ধেমাজীৰ পৰা এই চাকৰি বিলাক নিয়মীয়া কৰাৰ কাৰণে ৫ লাখ টকা আনিছে। সেই ক্ষেত্ৰত কিবা ব্যৱস্থা লব লাগে।

* ডঃ জয়নাথ শৰ্মা ঃ চাৰ আজি শেষত অলপ কব দিব লাগে।

মাননীয় অধ্যক্ষ ঃ নহব। আজি শুক্ৰবাৰ। ভোট অন একাউণ্টত একো নাই কবলৈ।

* ডঃ জয়নাথ শৰ্মা ঃ বিধান সভাত আমাক কবলৈ দিয়া নাই। ১৯৮৬ চনত ৪১ দিন, ১৯৮৭ চনত ৩৭ দিন, ১৯৮৮ চনত ৪৩ দিন, ১৯৮৯ চনত ৫২ দিন, ১৯৯০ চনত ৩৭ দিন আমাক কবলৈ সময় দিয়া নাই। বানপানীৰ বিষয়ে অলপ

*Speech not corrected.

কবলগীয়া আছে।

মাননীয় অধ্যক্ষ ঃ সেইবিলাক নহ্ব।

* ডঃ জয়নাথ শৰ্মা ঃ ১৯৯৬ চনত মাত্ৰ ২৭ দিন। অলপ কব দিব লাগে।

মাননীয় অধ্যক্ষ ঃ কথা কোৱাৰ সময় নাই। আজি শুক্ৰবাৰ। আপুনি দিনৰ হিচাব লৈ বহুত সময় কলেই।

* শ্ৰী জীৱকান্ত গঁগৈ (বিত্ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভোট অন একাউণ্টৰ ওপৰত আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে যিবোৰ কথা অবতাৰনা কৰিছে তাৰ মই উত্তৰ বিলাক কৈছো। আমাৰ মাননীয় সদস্য শ্ৰী প্ৰমোদ গঁগৈ ডাঙৰীয়াই নিৰ্ম্মানৰত কাম বিলাক সম্পূৰ্ণ কৰিবৰ কাৰণে বাজেটৰ ধন মুকলি কৰিব লাগে। আমি বাজেটৰ ধন মুকলি কৰি দিছো আৰু নতুন বাজেট আহিলে আমি আৰু মুকলি কৰি দিম। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত তেখেতে কৈছে যে ইচ্ছা কৰিলে বিক্ৰী কৰ এদিনত আমাৰ অসমত ১০০ কোটি টকা সংগ্ৰহ কৰিব পাৰে। আমি ইতিমধ্যে বিক্ৰীকৰ সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা হাতত লৈছো সেই কাৰণে আমাৰ কৰ সংগ্ৰহ ভাল হৈছে প্ৰায় দুগুন হৈছে। আমি ১৯৯০-৯১ চনত সংগ্ৰহ কৰিছো ৪২০ কোটি ৪০ লাখ টকা, ১৯৯১-৯২ চনত ৫১১ কোটি ১৪ লাখ টকা, ১৯৯২-৯৩ চনত ৫১৭ কোটি ১৭ লাখ টকা, ১৯৯৩-৯৪ চনত ৬৩২ কোটি ২১ লাখ টকা, ১৯৯৪-৯৫ চনত ৮২৬ কোটি ৩০ লাখ টকা আৰু ১৯৯৫-৯৬ চনত ৮৪৪ কোটি ১০ লাখ টকা। প্ৰায় দুগুনৰ বেছি হৈছে। ইতিমধ্যে ৮০০ কোটি টকা হৈছেই গতিকে কেচাকেচি হৈছেই। আৰু বৃদ্ধি হোৱাৰ স্থল আছে। তেখেতে চাহ কোম্পানীৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীলৈ অনাৰ কথাটো বৰ ভাল কথা হৈছে। আমিও উপলব্ধি কৰিছো, আমি বহুত চেষ্টা কৰি আছো। মুখ্য কাৰ্য্যালয় ইয়াত নোহোৱাৰ কাৰণে আমাৰ বহুত লোকচান হৈ আছে। ইয়াৰ কাৰণে আমাৰ গুৱাহাটী টি অকচন চেণ্টাৰত মাত্ৰ ২০/৩০ শতাংশহে গুৱাহাটীত বিক্ৰী হয় বাকী খিনি ষ্টৰ ট্ৰেনচ্ফাৰ কৰি বাহিৰলৈ যায়। আমি মাত্ৰ ২ শতাংশ মানহে টেক্স পাওঁ বাকীখিনি বাহিৰলৈ যায়। মুখ্য কাৰ্য্যালয় আমাৰ ইয়ালৈ আনিছে আমাৰ বহুত লাভ হ'ব। আশা ৰাখিছো অদুৰ ভৱিষ্যতে এই কাম সম্পূৰ্ণ হ'ব। আমাৰ মিশ্যন

---

*Speech not corrected.

ৰঞ্জন দাসে আন টাইড ফাণ্ডৰ কথা কৈছিল, আমি আন টাইড ফাণ্ডৰ সকলো টকা ৰিলিজ কৰিছো। ১৯৯৩-৯৪ চনত ১০ কোটি ৫৫ লাখৰ ভিতৰত ১০ কোটি ৫৫ লাখেই ৰিলিজ কৰি দিছো। ১৯৯৪-৯৫ চনত ১৫ কোটি ৫ লাখ টকাৰ ভিতৰত ১৫ কোটি ৪ লাখ ৯৯ হাজাৰ টকা ৰিলিজ কৰি দিছো তাৰ ভিতৰত ৬ কোটি ২৯ লাখ ৯৯ হাজাৰ টকা এম,এল,এ ডেভেলপমেণ্ট ফাণ্ডৰ। আৰু ১৯৯৫-৯৬ চনত ২৭ কোটি ৬০ লাখৰ ভিতৰত ২৭ কোটি ২৬ লাখ টকা ৰিলিজ কৰি দিয়া হৈছে তাৰে ১২ কোটি ৬০ লাখ টকা এম,এল,এ ডেভেলপমেণ্ট ফাণ্ডৰ। এই টকা বিলাক ডি, চি বিলাকৰ হাতত আছে।

* শ্ৰী যতীন মালী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই বিলাক অৰ্ডাৰ নম্বৰ সহ কব লাগে।

* শ্ৰী জীৱকান্ত গগৈ (বিত্তমন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, এই গোটেইবিলাক পঢ়ি দিবলৈ এতিয়া সময় নহব। আৰু মই সদনত যিটো ফেকটত সেইটোকে কৈছো। মই যদি কিবা ভুল কথা কৈছো আপোনালোকে প্ৰিভিলেজ মোচন আনক।

* ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, আমি যোৱা কালি জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰিছিলো। ১৯৯৫-৯৬ চনৰ কোনো টকা তেওঁলোকে পোৱা নাই। মন্ত্ৰী মহোদয়ে ভুল তথ্য দিছে।

* শ্ৰী জীৱকান্ত গগৈ (মন্ত্ৰী) ঃ যিজন ডি,চিয়ে টকা নাই বুলি কৈছে সেইজন ডি, চিৰ পৰা লিখি লৈ আহক। আমাৰ মিশ্যন ৰঞ্জন দাস ডাঙৰীয়াই মাষ্টাৰ ৰোল কৰ্ম্মীৰ দৰ্মহাৰ বিষয়ে কৈছিলে – আমি ১/৪/৯৩ তাৰিখৰ আগতে সোমোৱা মাষ্টাৰ ৰোলৰ কৰ্ম্মী সকলক দৰ্মহা দি থকা হৈছে। তাৰ পিচত সোমোৱা সকলে হয়তো নপাব পাৰে যিহেতু চৰকাৰে ১/৪/৯৩ ৰ পিচত সোমোৱা সকলক অব্যাহতি দিবলৈ সকলো বিভাগকে নিৰ্দ্দেশ দিছিলে। গতিকে তেনে কিছুমানে দৰ্মহা নাপাব পাৰে। আমাৰ হলিৰাম টেৰাঙে যিটো কথা কৈছিলে ডিষ্ট্ৰিক কাউঞ্চিললৈ বাজেট চেংচন সম্পৰ্কত তেওঁলোকলৈ বাজেট চেংচন কৰা হৈছে। আচলতে বাজেট খন ডিষ্ট্ৰিক কাউঞ্চিলত প্লেচ কৰিব লাগে আৰু সেই মতে প্লেচ কৰা হৈছে আৰু তেওঁলোকে ডিচকাচন কৰিছে আৰু আমাক জনাইছে। (এইখিনিতে

*Speech not corrected.

কেইবাজনো সদস্যই একেলগে কবলৈ ধৰাত সদনত গণ্ডগোলৰ সৃষ্টি হয়)

অধ্যক্ষ মহোদয়, শ্ৰী দাসে ফাৰ্মেচিষ্ট সকলৰ দৰমহাৰ কথা উল্লেখ কৰিছে এইটো পে কমিচনৰ কথা। শ্ৰী ৰমেন্দ্ৰ কলিতাই পৰিকল্পনাৰ ধন ৰেভিনিউ ডিপাজিটত ৰখাৰ কথা কৈছে - আমি প্ৰায় সকলো বিভাগৰ টকাই এতিয়া মোকোলাই দিছো এতিয়া কেৱল ৬৬ কোটি টকাহে দিবলৈ বাকী আছে। তেখেতে অসম মেঘালয় সীমান্তত বনজ সম্পদৰ সম্পৰ্কত আমি যিটো কথা কৈছে - সেইটো ঠিক কথাই কৈছে। নষ্ট হোৱা কাঠবোৰ সম্পৰ্কত আমি ব্যৱস্থা লম। শ্ৰী আলাউদ্দিন সৰকাৰে আন্তঃ ৰাজ্যিক আৰু ইণ্টাৰনেচ্‌নেল বৰ্ডাৰৰ যি টকাৰ কথা কৈছে - সেই টকা মোকলাই দিয়া হৈছে কেৱল ১৯৯৫-৯৬ চনৰ টকাহে বাকী আছে। তেখেতে দলঙৰ যিটো কথা কৈছে টকা পোৱা নাই বুলি সেইটো মই চাম। কৃষি বিভাগৰ উন্নয়ণৰ কথাও তেখেতে কৈছে সেইটোও মই চাম। শ্ৰী প্ৰণব নাথে হস্পিটেল আৰু হেণ্ডলুম-টেক্সটাইলৰ যিটো কথা কৈছে সেইটো কৰা হৈছে। শ্ৰী আবেদিন ডাঙৰীয়াই শিক্ষা বিভাগৰ কথা কৈছে সেইটোৰ উত্তৰ মই আগতেই দিছো। নতুন নিয়ম নীতি সৰ্ম্পকত মই চাম। ওৱাটাৰ চাপ্লাইৰ কথাটোও তেখেতে কৈছে সেইটো মই চাম। পানী যোগানত ওৱাটাৰ মিটাৰ লগোৱাৰ কথাটো চিয়েজ বোৰ্ডে কৰিছে - তেওঁলোকে হাডকোৰ পৰা ঋণ লৈ কৰিছে বাবে এইটো মিটাৰ লগাব লাগিব। তেখেতে আই,চি,ডি,এচ ব্লকৰ যিটো কথা উল্লেখ কৰিছে এই ক্ষেত্ৰত মই কও যে ১৮ টা ব্লকতেই এইটো অন্তৰ্ভুক্ত হব। তেখেতে ৰাজ্যিক লটাৰী বন্ধ কৰাৰ কথাও কৈছে - এই বিষয়টো আগতে এই সদনতো আলোচনা হৈছিল আৰু সদস্য সকলে উদ্বেগ প্ৰকাশ কৰাত লটাৰী বন্ধ কৰা হৈছে। তেখেতে আৰু এটা কথা কৈছে যে প্লেনৰ টকা নিৰ্ব্বাচনত খৰচ কৰা হব বুলি - এই ক্ষেত্ৰত মই কও যে প্লেনতে খৰচ কৰা হব নিৰ্ব্বাচনত কেতিয়াও খৰচ কৰা নহয়। ধন্যবাদ।

Mr. Speaker : Now, I put the main motion before the House for approvals : The motion is that "on the recommendation of the Governor of Assam, I beg, Sir, to move that,

an amount not exceeding Rs. 1,477,85,18,000 (Rupees One thousand four hundred seventy seven crores eighty five lakhs eighteen thousand) be granted to the Governor of Assam in advance to defray charges in respect of different departments during the first four months of the financial year ending the 31st March, 1997 under Grants shown in the schedule."

The Motion is passed

Now Item No. 3 (a), The Assam Appropriation(Vote-on Account) Bill, 1996 be circulated.

Now Minister Finance to move the motion for-introduction of the Bill.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg leave to introduce "The Assam Appropriation (Vote-on-Account) Bill, 1996.

Leave is granted

Mr. Speaker : Here is a message dated Guwahati 19.3.96 from the Governor of Assam:

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (Vote on Account) Bill, 1996."

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to introduce the Assam Appropriation (Vote-on-Account) Bill, 1996.

Mr. Speaker : Now Item No. 3 (b)

There is a message from the Governor of Assam, Raj Bhawan, Guwahati Dated: 19.3.96.

"Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (Vote on Account) Bill, 1996 be taken into consideration by the Assam Legislative Assembly."

Now Minister Finance to move -

Shri Jiba Kanta Gogoi (Minister, Finance): Sir, I beg to move that the Assam Appropriation Vote on Account) Bill, 1996 be taken into consideration.

* ডঃ জয় নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীয়ে ১৯৯৬ চনৰ 'অসম বিনিয়োজন (লেখানুদান) যিখন বিধেয়ক উথাপন কৰিছে, এই ক্ষেত্ৰত দুটা কথা মই আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো। প্ৰথম কথা হৈছে - আজি চৰকাৰে কোনো ধৰণৰ আশ্বাস আইন মতে দিব নোৱাৰে - কিয়নো ইতিমধ্যে নিৰ্ব্বাচন আয়ুক্তই নিৰ্ব্বাচন ঘোষণা কৰিছে। সেয়ে এইবোৰ আশ্বাস অৰ্থহীন হৈ পৰিছে। অৱশ্যে যোৱা ৫ বছৰে আপোনালোকে আশ্বাস দি আহিছে আৰু আজিও দিছে। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো সেইটো হৈছে যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে পি এণ্ড ডি বিভাগৰ পৰা এখন চাৰ্কুলাৰ ওলাইছে সেইখনত বিভিন্ন বিভাগৰ এনুৱেল প্লেন কাট কৰা দেখুৱা হৈছে। এগ্ৰিকালচাৰ আৰু এলাইড বিভাগত অৰিজিনেল বাজেট আছিল - ১৮ হেজাৰ ৫৪ লাখ টকা কাট কৰি ৰখা হৈছে - ১২ হেজাৰ ২৬৫ লাখ টকা। ঠিক তেনেদৰে ৰুৰেল ডেভেলেপমেণ্ট

*Speech not corrected.

বিভাগত অৰিজিনেল আছিল ৯৬ কোটি টকা এতিয়া দুই কোটি টকা কাট কৰা হৈছে। সেইদৰে চচিয়েল এৰিয়াত অৰিজিনেল ৩৫৮ কোটিৰ পৰা কাট কৰি ৰখা হৈছে ৩১০ কোটি টকা।

মাননীয় অধ্যক্ষ মহোদয় ইৰিগেচন আৰু ফ্লাড কণ্ট্ৰোলৰ প্লেনৰ টকা কাটি ১০ ৰ পৰা ১৫ কোটিলৈ হ্ৰাস কৰিছে। থিক তেনেদৰে এনাৰ্জি আৰু এলাইড একটিভিটিত প্লেনৰ টকা কাট কৰিছে। ৮০ কোটি ৪৮ লাখ টকা আছিল ৫৫ কোটি হ্ৰাস কৰিছে। ট্ৰেঞ্চপোৰ্ট শিতানত ৰোডচ আৰু ব্ৰিজেচ টোচেল ১১ কোটি ৫৮ লাখ টকা কৰ্ত্তন কৰি ৮ কোটিৰ ৩৬ লাখলৈ হ্ৰাস কৰিছে। ইনলেণ্ড ওৱাটাৰ ট্ৰেঞ্চপোৰ্ট তেখেতসকলে সেই ধৰণে ১২৩ কোটি টকাৰ পৰা ১০১ কোটিলৈ হ্ৰাস কৰিছে। কমিউনিকেচনৰ ক্ষেত্ৰতো হ্ৰাস কৰিছে। জেনেৰেল ইকোনমিক চাৰ্ভিচ - যত চেক্ৰেটৰিয়েট চাৰ্ভিচ, চিভিল চাপ্লাই, টুৰিজিম আদিতো কৰ্ত্তন কৰিছে। সৰ্বমুঠ ৪৪ কোটিৰ পৰা ৩৯ লাখ হ্ৰাস কৰিছে। চচিয়েল চাৰ্ভিচৰ ক্ষেত্ৰত অৱশ্যে বৃদ্ধি কৰিছে। মই এইখিনি কথা এইকাৰণে কৈছো যে তেখেতসকলে যত উৎপাদনমূলক কথা নাই তাতে বঢ়াইছে। যত উৎপাদনমূলক কথা আছে বা উন্নয়নমূলক কাম আছে তাত হ্ৰাস কৰিছে। তেখেসকলে ৰাজনৈতিক লাভা- লাভৰ কাৰণে এইবিলাক কৰিছে এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়া সদনত থাকিলে ভাল আছিল। ৮০৮ কোটি টকাৰ পৰা ১০ কোটিলৈ বঢ়াইছে ইউথ ওৱেলফেয়াৰৰ নামত। গড়কাপ্তানী, ফ্লাড কণ্ট্ৰোলৰ ক্ষেত্ৰত নবঢ়াই ইউথ ওৱেলফেয়াৰৰ নামত বঢ়াইছে। যি সময়ত গড়কাপ্তানী, ফ্লাড কণ্ট্ৰোল আৰু উন্নয়নমূলক বিভাগবোৰে টকা পোৱা নাই বুলি কৈছে সেই সময়ত ইউথ ওৱেলফেয়াৰৰ নামত কিয় বঢ়াইছে। এইটো সদনৰ মজিয়াত বিত্ত মন্ত্ৰীয়ে উত্তৰ দিয়ক অসমৰ ৰাইজক। আপোনালোকে সকলো কথা ৰাজনৈতিক ভাবে বিচাৰ বিবেচনা কৰি আছে। আপোনালোকে এই বিধানসভাৰ মজিয়াত সকলো কথা আলোচনা কৰিবলৈ নিদিয়ে। ১৯৯৬ চনত আমি বিধান সভা আৰম্ভ কৰিছিলো। ৮৫ চনত ৭ দিন বিধান সভা

হৈছিল। আমি ৫ বছৰীয়া বিধান সভা কালত সকলো কথা আলোচনা কৰিবলৈ দিছিলো। কিন্তু আপোনালোকে নিদিয়ে।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ কথাটো থিক হোৱা নাই। কিমান দিন বিধানসভা হ্ব সেইটো এডভাইজোৰী বোৰ্ডৰ জৰিয়তে থিক কৰা হয়।এডভাইজোৰী বোৰ্ডত আলোচনা হয়। কিমান দিন সদন হ্ব বিজনেচ এডভাইজোৰী বোৰ্ডে থিক কৰে তাত সকলো সদস্য থাকে। এইটো কলে সদনক অৱমাননা কৰা হ্ব। মই থিক কৰা নাই। এডভাইজোৰী কমিটি থিক কৰিছে।

* ডঃ জয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়. আপুনি যোৱা চাৰিদিন খং কৰা নাই। আজি খং কৰে কিয়। আমাৰ দিনত '৬৬ চনৰ ৪১ দিন, '৮৭ চনত ৩৭ দিন, '৮৮ চনত ৪৪ দিন আৰু '৮৯ চনত ৫০ দিন বিধান সভা হৈছিল।

মাননীয় অধ্যক্ষ ঃ এপ্ৰোপিয়েচন বিলৰ ওপৰত মই এইবিলাক আৰু কলে কব দিব নোৱাৰিম।

* ডঃ জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্নৰ উত্তৰ বিত্ত মন্ত্ৰী মহোদয়ে দিয়ক। যি সময়ত ফ্লাড কণ্ট্ৰোল, গড়কাপ্তানী, ইৰিগেচন, ৰুৰেল ডেভোলেপমেণ্ট আদিৰ টকা কাটিলে সেই সময়ত ইউথ ওৱেলফেয়াৰৰ নামত টকা বঢ়াই দি তেওঁলোকক সন্তুষ্ট কৰিব বিচাৰিছে। এইটো ৰাজনৈতিক কৌশল হয় নে নহয়। ইলেকচনৰ সময়ত ৰাইজৰ পৰা বাহ- বাহ লব। বিভিন্ন ঠাইত ডি, চি সকলে এম, এল, এ এৰিয়া ডেভোলাপমেণ্টৰ টকা আৰু আনটাইড ফাণ্ডৰ টকা এৰি দিয়া নাই। বিৰোধী পক্ষৰ এৰিয়া ডেভোলাপমেণ্টৰ কাম হোৱা নাই। অধ্যক্ষ মহোদয়, প্ৰতিদিনত কথা এটা ওলাইছে মুখ্য মন্ত্ৰীৰ পুতেকে এল,ও,চি টকাৰ ভাগ পাইছে। ১ নং আচামি মুখ্য মন্ত্ৰীৰ ল'ৰা পেপাৰত ওলাইছে। এইটো হয়নে নহয় কওঁক। (সদনত গণ্ডগোল হয়) তাৰ মাজতে বিত্ত মন্ত্ৰী মহোদয়ে কয় বুজা নাযায়)

Mr. Speaker : Minister, Finance to reply -

(............Interruption ............)

I now put the motion before the House. The motion

*Speech not corrected.

is that - The Assam Appropriation (Vote - on - Account) Bill, 1996 be taken into consideration.

The motion is passed.

* Dr. Zoii Nath Sarma : During our time we have sufficient time for discussion of any important matter. In 1986 41 days, 1987* 37 days, 1988* 44 days, 1989* 52 days and so on .........................

Mr. Speaker :- Hon'ble Finance Minister will please move.

Shri Jiba Kanta Gogoi (Finance Minister) : Sir, I beg to move that "The Assam Appropriation (Vote-on-Account) Bill, 1996 be taken into consideration clause by clause.

(Interruptions continued - Shri Chandra Mohan Patowarg, Dr. Zoii Nath Sarma, Shri Jatin Mali, Shri Nizamuddin Khan, Shri Dilip Kr. Saikia were on the leg shoutting).

Shri Jiba Kanta Gogoi (Minister) : Sir I beg to move that "The Assam Appropriation (Vote-on-Account) Bill 1996 be passed.

Mr. Speaker : I now put the motion before the House. The motion is that "The Assam Appropriation (Vote-on-Account) Bill, 1996 be passed.

Ayes have it, Ayes have it, Ayes have it,

The Motion is passed, the Bill is passed,

## GOVERNMENT RESOLUTION

* Dr. Ardhendu Kumar Dey (Minister): Sir, beg to move that "WHEREAS it is expedient to provide for the regulation

---

***Speech not corrected.**